**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 03-09-2026 **Time :** 1100 Hrs.

কেন্দ্ৰীয় চৰকাৰে বিকশিত ভাৰত গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আৰু জীৱিকা মিছন VB G-RAMG-ৰ অধীনত ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে অসমসহ উত্তৰ-পূৰ্বাঞ্চলৰ ৮ খন ৰাজ্যৰ বাবে প্ৰাৰম্ভিকভাৱে ছহেজাৰ ২৬৬ কোটি ২৫ লাখ টকাত আৱণ্টন দিছে। কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰালয়ে আঁচনিখনৰ অধীনত প্ৰথম কিস্তি হিচাপে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ বাবে দুহেজাৰ ২২ কোটি ৭৮ লাখ টকা মোকলাই দিছে। অসমৰ বাবে আৱণ্টিত এহেজাৰ ৯২৯ কোটি ৭০ লাখ টকাৰ ভিতৰত প্ৰথম কিস্তি হিচাপে ৬৩০ কোটি ৯৬ লাখ টকা মোকলাই দিয়া হৈছে। ইয়াৰে ভিতৰত মজুৰী শিতানত ৩৫০ কোটি ৫৩ লাখ টকা, প্ৰশাসনিক ব্যয় শিতানত ৪৬ কোটি ৭৪ লাখ আৰু অন্যান্য শিতানত ২৩৩ কোটি ৬৯ লাখ টকা মোকলাই দিয়া হৈছে।

০০০০০০০

উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ অহা দেওবাৰে দুদিনীয়া ভ্ৰমণসূচীৰে গুৱাহাটীলৈ আহিব। এই ভ্ৰমণ কালত উপ ৰাষ্ট্ৰপতিগৰাকীয়ে কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। তেওঁ দেওবাৰে পুৱা চাৰে ১০ বজাত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ এটা অনুষ্ঠানত উপস্থিত থাকিব। সেইদিনাই বিয়লি ৩ বাজি ১৫ মিনিটত উপ ৰাষ্ট্ৰপতিগৰাকীয়ে খানাপাৰাৰ জ্যোতি বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত এটা অনুষ্ঠানত ভাগ ল'ব। উপ ৰাষ্ট্ৰপতিগৰাকীয়ে নিশা গুৱাহাটীত কটাব। তেওঁ সোমবাৰে গুৱাহাটী বিশ্ববিদ্যালয়ত হ'বলগীয়া এটা অনুষ্ঠানত অংশ ল'ব।

০০০০০০০

ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগমে ব্ৰহ্মপুত্ৰৰ তলেৰে নিৰ্মাণ হ'বলগীয়া দেশৰ প্ৰথমটো চাৰিটা লেনযুক্ত দ্বৈত টিউব টানেল প্ৰকল্পৰ বাবে নিবিদা আহ্বান কৰিছে। গহপুৰৰ পৰা উজনি অসমৰ নুমলীগড়লৈ নিৰ্মাণ হ'বলগীয়া এই প্ৰকল্পৰ মুঠ দৈৰ্ঘ্য ৩৩ দশমিক ৭-০ কিলোমিটাৰ হ'ব। প্ৰকল্পটোত চাৰিটা লেনযুক্ত পথৰ লগতে ব্ৰহ্মপুত্ৰৰ তলেদি প্ৰায় ১৫ দশমিক ৭-৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ দ্বৈত টিউব টানেল নিৰ্মাণ কৰা হ'ব। দুয়োটা টিউবত দুটাকৈ লেন থাকিব আৰু ইয়াৰে এটা টিউবত ৰে'ল চলাচলৰ বাবে বিশেষ ব্যৱস্থা সন্নিৱিষ্ট কৰা হ'ব। প্ৰকল্পটোৰ মুঠ মূলধনী ব্যয় ১৮ হাজাৰ ৬৬২ কোটি ২ লাখ টকা ধাৰ্য কৰা হৈছে। এই সুৰংগ তথা কৰিডৰ সম্পূৰ্ণ হ'লে গহপুৰ-নুমলীগড়ৰ মাজৰ দূৰত্ব ২৪০ কিলোমিটাৰ হ্ৰাস পাই প্ৰায় ৩৪ কিলোমিটাৰ হ'ব। প্ৰকল্পটোৰ কাম সম্পূৰ্ণ হ'লে গহপুৰ-নুমলীগড়ৰ মাজত যাত্ৰাৰ সময় ৬ ঘণ্টাৰ পৰা ২০ মিনিটলৈ হ্ৰাস পাব বুলি আশা কৰা হৈছে। প্ৰকল্পটোৱে অকল ৰাজ্যৰ দুটা গুৰুত্বপূৰ্ণ অঞ্চলক সংযোগ কৰাই নহয় বৰং সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ যোগাযোগ ব্যৱস্থাক গতি প্ৰদান কৰিব।

০০০০০০০

ওদালগুৰি জিলাত ৰাষ্ট্ৰীয় শিশু স্বাস্থ্য কাৰ্যসূচীৰ অধীনত জন্মগতভাৱে হৃদৰোগ থকা ৪০ টি শিশুৰ চিকিৎসা কৰা হৈছে। চলিত বছৰৰ এপ্ৰিলৰ পৰা জুলাইলৈ পাঁচটি শিশুৰ হৃদৰোগৰ চিকিৎসা আৰু মিছন

স্মাইলৰ অধীনত তিনিটি শিশুৰ ফটা ওঁঠ আৰু ফুটা তালুৰ অস্ত্ৰোপচাৰ কৰা হয়। দুটি শিশুৰ জন্মগতভাৱে থকা বেঁকা ভৰিৰ চিকিৎসা আৰু এটি শিশুৰ চকুৰ ছানি পৰা ৰোগৰ চিকিৎসা কৰা হয়। ২০২৫ চনৰ এপ্ৰিলৰ পৰা চলিত বছৰৰ মাৰ্চ পৰ্যন্ত ৪০ টি শিশুৰ জন্মগত হৃদ ৰোগৰ চিকিৎসা আৰু ৩২ টি শিশুৰ মিছন স্মাইলৰ অধীনত চিকিৎসা কৰা হয়। ইয়াৰ উপৰি স্নায়ুজনিত সমস্যা, জন্মগত বধিৰতা, বিকাশত বিলম্বকে ধৰি ৩৮ টা সমস্যাৰ নিৰাময়ৰ বাবে চিকিৎসা সম্পন্ন হয়।

০০০০০০০

অৰ্জুন বঁটাৰে সন্মানিত ভোগেশ্বৰ বৰুৱাৰ জন্মদিন উপলক্ষে ৰাজ্য চৰকাৰে আজি ৰাজ্যিক ক্ৰীড়া দিৱস উদযাপন কৰিছে। ১৯৬৬ চনৰ এছিয়ান গেম্ছত স্বৰ্ণ পদক অৰ্জনেৰে ইতিহাস ৰচা প্ৰসিদ্ধ ক্ৰীড়াবিদগৰাকীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি ৰাজ্যত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈছে।

ইপিনে, অৰ্জুন বঁটাৰে সন্মানিত প্ৰথম অসমীয়া ক্ৰীড়াবিদগৰাকীৰ জন্মদিন উপলক্ষে আজি ৰাজ্যজুৰি অভিৰুচি ক্ৰীড়া দিৱস পালন কৰা হৈছে। এই উপলক্ষে গুৱাহাটীৰ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত ৪৩ সংখ্যক অভিৰুচি ক্ৰীড়া দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচী অনুষ্ঠিত হৈছে। ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত আজি পুৱা ৬ বাজি ১৫ মিনিটৰ পৰা সামুহিক দৌৰ অনুষ্ঠিত হয়। ক্ৰীড়া মন্ত্ৰী বিশ্বজিৎ দৈমাৰী, একালৰ তাৰকা খেলুৱৈ তৈবুননেচা, অভিনেতা যতীন বৰাকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে এই সামুহিক দৌৰত অংশগ্ৰহণ কৰে। অভিৰুচি ক্ৰীড়া দিৱসৰ দ্বিতীয় দিনা, নবীন চন্দ্ৰ বৰদলৈ ইন্দোৰ ষ্টেডিয়ামত কাইলৈ পুৱা চাৰে ৯ বজাত আন্তঃ শিক্ষানুষ্ঠান পি টি আৰ নৃত্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। একেটা স্থানতে বিয়লি চাৰে ৫ বজাত খেলুৱৈ আৰু ক্ৰীড়া সংগঠকক সম্বৰ্ধনা জনোৱা হ'ব।

গোৱালপাৰা জিলাতো আজি জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত অভিৰুচি ক্ৰীড়া দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। এই উপলক্ষে পুৱা সামুহিক দৌৰ অনুষ্ঠিত হয়। বিয়লি হ'বলগীয়া অনুষ্ঠানত কেইবাগৰাকী ক্ৰীড়া সংগঠক আৰু প্ৰবীণ খেলুৱৈক সম্বৰ্ধনা জনোৱা হ'ব।

০০০০০০

অসম অৰুণাচল সীমান্তৰ মিংমাং বদতিত যোৱা ১০ আগষ্টত সংঘটিত হিংসাত্মক ঘটনাৰ প্ৰতিবাদত ধেমাজিত দল সংগঠনে প্ৰতিবাদী কাৰ্যসূচী অব্যাহত ৰাখিছে। জিলাখনৰ ৭টা জাতীয় সংগঠনৰ যৌথ মঞ্চ-ধেমাজি ঐক্যমঞ্চই স্থানীয় ৰাইজৰ সহযোগত কালি কাছাৰী ময়দানৰ সন্মুখত ৰাজহুৱা মুণ্ডন আৰু অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে এই ঘটনাৰে জড়িত দুৰ্বৃত্তক শীঘ্ৰে গ্ৰেপ্তাৰ, অসম অৰুণাচলৰ সীমা সমস্যাৰ সমাধান, অসমৰ মাটিত স্থাপন কৰা অৰুণাচলৰ নিৰাপত্তাৰক্ষীৰ শিবিৰ স্থানান্তৰকৰণ, আন্তঃৰাজ্যিক সীমা অঞ্চলত বাস কৰা অসমৰ প্ৰতিজন নাগৰিকৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা সুনিশ্চিত কৰাকে ধৰি বিভিন্ন দাবী জনায়। তেওঁলোকে লগতে মিংমাং বদতিৰ ঘটনাত আহত হোৱা লোকসকলৰ এককালীন সাহায্য ২ লাখৰ পৰা ৫ লাখ টকালৈ বৃদ্ধি কৰাৰ বাবেও দাবী জনায়।

০০০০০০০০

**সমাপ্ত**